# অসম কো-অপাৰেটিভ এপেক্স বেংক লিমিটেড

**মুখ্য কাৰ্যালয় ঃ পাণবজাৰ, গুৱাহাটী-৭৮১০০১**

দিনাংক ঃ ২২/১০/২০২৬

## জাননী

ইয়াৰ দ্বাৰা জনোৱা হয় যে অসম কো-অপাৰেটিভ এপেক্স বেংক লিমিটেডৰ হ'বলগীয়া সাধাৰণ সভাখন (Election Part) অহা ০৬ নৱেম্বৰ, ২০২৬ তাৰিখে দিনৰ ১১-০০ বজাত গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত শ্ৰীশ্ৰী দামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত নিম্নলিখিত কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব।

১। বেংকৰ সঞ্চালক মণ্ডলীৰ (Board of Directors) বাবে সদস্য নিৰ্বাচন।

২। সভাপতিৰ অনুমতি সাপেক্ষে অন্যান্য বিষয়ৰ আলোচনা।

ইয়াৰ দ্বাৰা মাণ্ডলিক পৰ্যায়ৰ নিৰ্বাচিত সকলো যোগ্য সদস্য / সদস্যাকে সভাত উপস্থিত থাকিবলৈ অনুৰোধ জনোৱা হ'ল।

**বেংকৰ সঞ্চালক মণ্ডলীৰ গাঠনি তলত দিয়া হ'ল ঃ**

ক) ৩ জন সঞ্চালক গাঁও পঞ্চায়ত সমবায় সমিতিৰ পৰা। (ST/SC — ১, মহিলা — ১, অন্যান্য — ১)

খ) ১ জন সঞ্চালক ৰাজ্যিক পৰ্য্যায়ৰ সমবায় সমিতিৰ বা অন্যান্য সমবায়ৰ পৰা।

গ) ২ জন সঞ্চালক অন্যান্য সমিতিৰ পৰা ।

ঘ) ৫ জন ব্যক্তিগত হিচাপে (চাহ উদ্যোগৰ — ১, মহিলা —১ আৰু অন্যান্য — ৩)

আদেশানুযায়ী

গুৱাহাটী
ইং ২২/১০/২০২৬

**স্বাঃ মিলন চন্দ্ৰ দাস**
পৰিচালন সঞ্চালক (ভাঃ প্ৰাঃ)

**বিঃদ্ৰঃ** (১) সভ্য চিনাক্তকৰণৰ সুবিধাৰ্থে অনুগ্ৰহ কৰি সভালৈ আহোঁতে লেফাফাসহ এই জাননীখন লগত লৈ আহিব। লগতে পৰিচয় পত্ৰ হিচাপে ভোটাৰ কাৰ্ড, আধাৰ কাৰ্ড, পান কাৰ্ড, চাকৰিৰ পৰিচয় পত্ৰ (ফটোৰ সৈতে), পেঞ্চনৰ কাগজ (ফটোৰ সৈতে), জবকাৰ্ড, পাচপোৰ্ট, ড্ৰাইভিং লাইচেঞ্চ, বেংক পাচবুক (ফটোৰ সৈতে), পোষ্ট অফিচ পাচবুক (ফটোৰ সৈতে), নতুবা যিকোনো বৈধ ফটোসহ পৰিচয় পত্ৰ আদিৰ যিকোনো এখন লগত লৈ আহিব।

(২) অন্তৰ্ভুক্ত (Affiliated) সমিতি সমূহে বেংকৰ বাৰ্ষিক সাধাৰণ সভালৈ প্ৰতিনিধি নিৰ্বাচিত কৰি সভাত যোগদান কৰিবলৈ লোৱা প্ৰস্তাৱৰ প্ৰতিলিপি সংশ্লিষ্ট কৰ্তৃপক্ষৰ দ্বাৰা অনুমোদিত কৰি সভা আৰম্ভ হোৱাৰ কমেও দুঘণ্টাৰ আগতে সভাগৃহত জমা দিব লাগিব।

(৩) যিসকল সদস্যই বেংকৰ উপ-বিধি অনুসৰি সঞ্চালক মণ্ডলীলৈ নিৰ্বাচিত হবৰ বাবে মনোনয়ন পত্ৰ দিব বিচাৰে তেখেতসকলে ইং ২৭/১০/২০২৬ তাৰিখৰ আবেলি ৫ঃ০০ বজাৰ ভিতৰত মনোনয়ন পত্ৰ সমূহ পুৰাই বেংকৰ নিৰ্দিষ্ট শাখা বা প্ৰশাসন বিভাগত জমা দিব পাৰিব।

(৪) যিসকল প্ৰাৰ্থীয়ে/ প্ৰস্তাৱকে জমা দিয়া মনোনয়ন পত্ৰ উঠাই লব বিচাৰে, তেখেতসকলে ইং ২৯/১০/২০২৬ তাৰিখে আবেলি ৩ঃ০০ বজাৰ ভিতৰত উঠাই লব পাৰিব।